**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

ooooo

১। পশ্চিম এছিয়াৰ পৰিৱৰ্তিত পৰিস্থিতিৰ মাজত দেশৰ অৰ্থনৈতিক আৰু বাণিজ্য স্থিৰতা বজাই ৰখা তথা শক্তি সুৰক্ষা সুনিশ্চিত কৰি ৰখাৰ বিষয়ত চৰকাৰে বিশেষ অগ্ৰাধিকাৰ দিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ জেৱৰত নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰিব।

৩। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন ৰাঁচিত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ পঞ্চদশ সমাৱৰ্তনত উপস্থিত থাকিব।

৪। পশ্চিম এছিয়াৰ সংঘৰ্ষৰ ফলত সৃষ্টি হোৱা গোলকীয় অস্থিৰতা স্বত্বেও ভাৰতৰ দৈনন্দিন জীৱন অপৰিৱৰ্তিত হৈ আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ১৯ সংখ্যক সংস্কৰণ আজি সন্ধিয়া বেংগালুৰুত আৰম্ভ হ’ব। উদ্বোধনী খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

ooooo

পশ্চিম এছিয়াৰ পৰিৱৰ্তিত পৰিস্থিতিৰ মাজত দেশৰ অৰ্থনৈতিক আৰু বাণিজ্যিক স্থিৰতা বজাই ৰখা, শক্তি সুৰক্ষা সুনিশ্চিত কৰা, নাগৰিকৰ প্ৰয়োজন ৰক্ষা কৰা তথা উদ্যোগ আৰু যোগান শৃংখলা শক্তিশালী কৰি ৰখা বিষয়ত চৰকাৰে বিশেষ অগ্ৰাধিকাৰ দিছে। পশ্চিম এছিয়াৰ সাম্প্ৰতিক যুদ্ধ পৰিস্থিতিৰ ফলত দেশত সম্ভাব্য প্ৰভাৱ তথা ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসমূহৰ অনাগত দিনৰ প্ৰস্তুতি আৰু পৰিকল্পনা সন্দৰ্ভত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-ৰাজ্যপালৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে হোৱা এখন বৈঠকত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা উল্লেখ কৰে। বৈঠকত প্ৰধানমন্ত্ৰীয়ে পূৰ্বৰ পৰা পৰিকল্পনা প্ৰস্তুত আৰু সতৰ্কতাৰ লগতে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত নিৰন্তৰ সহযোগিতা ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ টীম ইণ্ডিয়া হিচাপে সহযোগিতাৰে সকলোকে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে টীম ইণ্ডিয়া হিচাপে সহযোগিতাৰে কাম কৰি বৰ্ধিত প্ৰত্যাহ্বানসমূহৰ সফলভাৱে মোকাবিলা কৰিব পৰা যাব।

প্ৰধানমন্ত্ৰী মোদীয়ে পূৰ্বৰ অভিজ্ঞতাৰ কথা প্ৰকাশ কৰি ক’ভিড মহামাৰীৰ সময়ত কেন্দ্ৰ আৰু ৰাজ্যসমূহে টীম ইণ্ডিয়া হিচাপে একেলগে কাম কৰাৰ কথা সোঁৱৰে। একেই দৃঢ়তাৰে বৰ্তমানৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ’ব লাগিব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে সামূহিক দায়বদ্ধতা আৰু সহযোগিতাক ভাৰতৰ মহান শক্তি বুলি উল্লেখ কৰে। শ্ৰীমোদীয়ে ৰাজ্যসমূহক যোগান শৃংখলা নিয়াৰিকৈ চলি থকাটো সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ৰাজ্য আৰু জিলা পৰ্যায়ত নিয়ন্ত্ৰণ কক্ষ সক্ৰিয় কৰি তোলাৰ প্ৰয়োজনীয়তাত

গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে যোৱা ৩ মাৰ্চৰ পৰা আন্তঃ মন্ত্ৰীপৰ্যায়ৰ গোট কাৰ্যকৰী হৈ আছে আৰু এই গোটে দৈনিক পৰিস্থিতিৰ পৰ্যালোচনা কৰি সময়মতে সিদ্ধান্ত গ্ৰহণ কৰিছে।

শ্ৰীমোদীয়ে কৃষি খণ্ডত বিশেষকৈ খাৰিফ শস্যৰ বতৰত পৰ্যাপ্ত সাৰৰ উপলভ্যতা সুনিশ্চিত কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। ভুৱা তথ্যৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ৰাজ্যসমূহক সঠিক তথ্য প্ৰচাৰ কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ কয়, যে সীমান্ত আৰু উপকূলীয় ৰাজ্যসমূহত জাহাজ চলাচল, প্ৰয়োজনীয় যোগান তথা সামুদ্ৰিক অভিযানৰ সৈতে সম্পৰ্কিত প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া উচিত। তেওঁ লগতে বিভিন্ন ৰাজ্যৰ পৰা পশ্চিম এছিয়াত বাস কৰা লোকসকলৰ পৰিয়ালক সহযোগিতাৰ বাবে হেল্পলাইন আৰু সমৰ্থন ব্যৱস্থা সক্ৰিয় কৰিবলৈ আহ্বান জনায়।

বৈঠকত অংশ লৈ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে চৰকাৰে এই সংকট দূৰ কৰাৰ বাবে সক্ৰিয়ভাৱে কাম কৰি আছে আৰু সময়মতে ৰন্ধন গেছৰ মজুত সুনিশ্চিত কৰা তথা পেট্ৰ'ল আৰু ডিজেলৰ ওপৰত আবকাৰী শুল্ক হ্ৰাসৰ দৰে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে। সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা এনে পদক্ষেপৰ প্ৰশংসা কৰে। তেওঁলোকে লগতে এনে পৰিস্থিতিৰ মাজত প্ৰবাসী ভাৰতীয়সকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ বিভিন্ন দেশৰ সৈতে কূটনৈতিক সম্পৰ্কৰো শলাগ লয়।

00000

হৰমুজ প্ৰণালীৰে মানৱীয় সাহায্য সামগ্ৰীৰ পৰিবহণ শীঘ্ৰে আৰু সহজসাধ্য কৰাৰ ক্ষেত্ৰত ইৰান সন্মত হৈছে। ৰাষ্ট্ৰসংঘৰ ইৰানিয়ান ৰাষ্ট্ৰদূত আলী বাহৰেইনীয়ে কালি জেনেভাত কয়, যে ইৰানৰ পাৰমাণৱিক ঘাটিসমূহত আক্ৰমণ অব্যাহত থকা স্বত্বেও হৰমুজৰ বহুচৰ্চিত জলভাগেৰে মানৱীয় সাহায্য সামগ্ৰী আৰু কৃষি সামগ্ৰী কঢ়িয়াই অনা জাহাজৰ পৰিবহণৰ বাবে ৰাষ্ট্ৰসংঘই কৰা অনুৰোধ তেহৰানে গ্ৰহণ কৰিছে। ইৰানৰ এই ঘোষণাৰ পাছতে এমাহজোৰা যুদ্ধৰ পাছত সাহায্য সামগ্ৰী কঢ়িয়াই অনা জাহাজসমূহ পুনৰ চলাচল কৰাৰ আশা দেখা গৈছে। সমগ্ৰ বিশ্বতে তেল আৰু প্ৰাকৃতিক গেছ, কৃষি কাৰ্যৰ বাবে প্ৰয়োজনীয় সাৰ আৰু খাদ্য সুৰক্ষাৰ যোগান বন্ধ হৈ পৰাৰ পৰিপ্ৰেক্ষিত বজাৰ আৰু চৰকাৰসমূহে হৰমুজ প্ৰণালী মুকলি হোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি আহিছে। সামাজিক মাধ্যমৰ এটা প'ষ্টত বাহৰেইনীয়ে কয়, যে এই পদক্ষেপে মানৱীয় সাহায্যৰ ক্ষেত্ৰত ইৰানৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰাৰ লগতে পলম নোহোৱাকৈ অত্যাৱশ্যকীয় সামগ্ৰীসমূহ প্ৰয়োজন অনুসাৰে দেশসমূহে লাভ কৰাত নিশ্চিতি প্ৰদান কৰে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ জেৱৰত নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰিব। প্ৰায় ১১ হাজাৰ ২০০ কোটি টকা ব্যয়সাপেক্ষে এই বিমান বন্দৰটো নিৰ্মাণ কৰা হৈছে। বহনক্ষম আৰু ভৱিষ্যতৰ বাবে সাজু আন্তঃগাঁথনি প্ৰকল্প হিচাপে নিৰ্মাণ কৰা নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ দেশৰ সৰ্ববৃহৎ গ্ৰীণ ফিল্ড বিমানবন্দৰসমূহৰ অন্যতম। বিমান বন্দৰটোৰ উদ্বোধন, দেশক গোলকীয় বিমান পৰিবহণ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। বিমান বন্দৰটোৰে বছৰি আঢ়ৈ লাখ মেট্ৰিকটন সামগ্ৰী সৰবৰাহ কৰিব পৰা যাব আৰু এই পৰিমাণ প্ৰায় ১৮ লাখ মেট্ৰিক টনলৈ বৃদ্ধি কৰাৰ থল আছে।

00000

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি ঝাৰখণ্ডৰ ৰাঁচিত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান- আই আই এমৰ পঞ্চদশ সমাৰৰ্তন অনুষ্ঠানত উপস্থিত থাকিব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাঁচিত ভাৰ্চুৱেল ৰিয়েলিটী কেচ ৰিপ'জিট'ৰীয়ো মুকলি কৰিব।

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, কেন্দ্ৰীয় প্ৰতিৰক্ষা ৰাজ্যমন্ত্ৰী সঞ্জয় সেঠ, ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেন, ৰাজ্যপাল সন্তোষ কুমাৰ গংগৱাৰ আৰু ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ নাৰায়ণ সিঙেও এই অনুষ্ঠানত অংশ ল'ব।

উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰথমে বীৰচা মুণ্ডা বিমান বন্দৰত উপস্থিত হৈ স্বাধীনতা সংগ্ৰামীগৰাকী খুন্তীত থকা উলিহাটু গাঁৱলৈ যাব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে তাত স্বাধীনতা সংগ্ৰামীগৰাকীৰ পৰিয়ালৰ সদস্যসকলক সাক্ষাৎ কৰিব আৰু প্ৰয়াত বীৰচা মুণ্ডাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাব। উপ-ৰাষ্ট্ৰপতি শ্ৰীৰাধাকৃষ্ণনে ৰাঁচিত থকা বীৰচা চ'ক আৰু বীৰচা মুণ্ডা চৌহদৰ শ্বহীদগৰাকীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা জনাব। এই কাৰ্যসূচীৰ পাছতে তেওঁ আই আই এমৰ সমাৰৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

ooooo

পশ্চিম এছিয়াৰ সংঘৰ্ষৰ ফলত সৃষ্টি হোৱা গোলকীয় অস্থিৰতা স্বত্বেও ভাৰতৰ দৈনন্দিন জীৱন অপৰিৱৰ্তিত হৈ আছে আৰু দেশে এই সংকট দূৰ কৰাৰ ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সন্ধিয়া এটা ব্যক্তিগত প্ৰতিষ্ঠানৰ সন্মিলনত অংশগ্ৰহণ কৰি দিয়া ভাষণত গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে বিগত দশকত পেট্ৰ'লিয়ামৰ ভাণ্ডাৰ সংৰক্ষণ আৰু শক্তিশালী কৰাৰ বাবে চৰকাৰৰ বহনক্ষম প্ৰচেষ্টাই দেশৰ যোগান শৃংখলাৰ স্থিৰতা সুনিশ্চিত কৰিছে। তেওঁ কয়, যে বিভিন্ন দেশে বৰ্তমান ইন্ধনৰ মূল্য বৃদ্ধি কৰাৰ বিপৰীতে ভাৰতত পেট্ৰ'ল আৰু ডিজেলৰ মূল্যত প্ৰায় শূন্য প্ৰভাৱ পৰিলক্ষিত হৈছে। তেওঁ লগতে উল্লেখ কৰে যে বিভিন্ন দেশে ইন্ধনৰ ব্যৱহাৰ আৰু তাৎক্ষণিক ব্যৱস্থাৰ দিশত বাধাৰ সন্মুখীন হৈছে। কিন্তু ভাৰত এই সংকটৰ পৰিস্থিতিৰ মাজতো সুস্থিৰ হৈ আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে পেট্ৰ'লিয়াম ভাণ্ডাৰ বৃদ্ধি আৰু বিভিন্ন আমদানীৰ উৎসকে ধৰি শক্তি সুৰক্ষা বৃদ্ধিৰ বাবে দীৰ্ঘম্যাদী ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতে বৰ্তমান ৪২ খন দেশৰ পৰা পেট্ৰ'লিয়াম সামগ্ৰী আমদানী কৰে বুলি তেওঁ উল্লেখ কৰে। এল পি জিৰ উৎপাদন বৃদ্ধি আৰু প্ৰায় ৯৮ শতাংশ ৰে'ল লাইনৰ বৈদ্যুতিকীকৰণৰ ফলত ইন্ধনৰ ওপৰত থকা নিৰ্ভৰশীলতা যথেষ্ট হ্ৰাস হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ জনসাধাৰণক প্ৰয়োজন অনুসাৰেহে পেট্ৰ'ল আৰু ডিজেল ক্ৰয় কৰিবলৈ আহ্বান জনায়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ১৯ সংখ্যক সংস্কৰণ আজি সন্ধিয়া বেংগালুৰুত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি চেন্নাইৰ এম চিন্নাস্বামী ষ্টেডিয়ামত যোৱাবাৰৰ বিজয়ী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুমাহজোৰা এই প্ৰতিযোগিতাখন অহা ৩১ মে'ত সমাপ্ত হ'ব।

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দলৰ নতুন অধিনায়ক ৰজত পাটিদাৰৰ নেতৃত্বত অভিযান আৰম্ভ কৰিব। ইপিনে অষ্ট্ৰেলিয়াৰ পেচাৰ পেট কামিন্স আঘাতৰ বাবে খেলৰ পৰা আঁতৰি থকাত ছানৰাইজাৰ্ছ হায়দৰাবাদক ঈষাণ কিষাণে নেতৃত্ব দিব।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বিচিচিআইয়ে পূৰ্বৰ দৰে এইবাৰ আই পি এলৰ উদ্বোধনী অনুষ্ঠান আয়োজন নকৰাৰ সিদ্ধান্ত লৈছে। বিগত বৰ্ষৰ জুনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিজয় উদযাপনত ষ্টেডিয়ামৰ বাহিৰত হোৱা হেঁচা-ঠেলাত ১১ জন ক্ৰিকেটপ্ৰেমীৰ মৃত্যুৰ প্ৰতি সন্মান জনাই বিচিচিআইয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। নিহত ক্ৰিকেটপ্ৰেমী কেইগৰাকীৰ সোঁৱৰণত এইবাৰৰ প্ৰতিযোগিতাত ষ্টেডিয়ামত স্থায়ীভাৱে ১১ খন আসন খালী ৰখা হ'ব বুলি বিচিচিআইয়ে ঘোষণা কৰিছে।

০০০০০

সমাপ্ত